**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 01-09-2026 **Time :** 1100 Hrs.

উজনি অসমৰ তিনিখন জিলা ক্ৰমে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বানক্ষতিগ্ৰস্ত পৰিয়াল সমূহলৈ ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

পূৰ্বে বাকী ৰোৱা ১৬ হাজাৰ ৭৪৬ টা পৰিয়ালক এই পৰ্য্যায়ত সামৰি লোৱা হ'ব। আজি খন্তেক পাছতে দিচপুৰৰ লোকসেৱা ভৱনৰ সংবাদ সন্মিলন কক্ষত এই উদ্দেশ্য আয়োজিত অনুষ্ঠানত মখুমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমিতা মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু ৰাজহ তথা দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তও উপস্থিত থাকিব।

ইপিনে, চি এম ফ্লাইট আঁচনিৰ সংশোধিত নীতি অনুসৰি প্ৰথম কিস্তিৰ ধনো আজি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীৰ বৈদেশিক ভাষা প্ৰশিক্ষণ পদক্ষেপৰ অংশ হিচাপে জাপানী ভাষাৰ প্ৰশিক্ষণ কাৰ্য্যসূচীত এই আঁচনিৰ অধীনত ২০২৪-২৫ বৰ্ষত নামভৰ্তি কৰা ১৪৮ গৰাকী আৰু ২০২৬-২৭ বৰ্ষত নতুনকৈ নামভৰ্তি কৰা ৫২ গৰাকী শিক্ষাৰ্থীক আৰ্থিক সাহায্য প্ৰদান কৰা হব। প্ৰতিগৰাকী শিক্ষাৰ্থীক প্ৰশিক্ষণ গ্ৰহণৰ বাবে তিনিটা কিস্তিত মুঠ ১ লাখ টকাকৈ দিয়া হ'ব। প্ৰাৰ্থীসকলে নিযুক্ত লাভ কৰাৰৰ পাছত ৫০ হাজাৰ টকাৰ অনুমোদন দিয়া হ'ব। এই আঁচনিৰ বাবে চৰকাৰে ২ দশমিক ৮ কোটি টকাৰ অনুমোদন জনাইছে।

মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ অধীনতো আজি চৰকাৰী আৰু ৰাজহুৱা শিক্ষানুষ্ঠানৰ সদ্য স্নাতক সকলৰ বাবে আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা হ'ব। ৪৮ হাজাৰ ১৮৮ গৰাকী অৰ্হতা সম্পন্ন প্ৰাৰ্থীক ১২ মাহৰ বাবে আঢ়ৈ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই আঁচনিৰ বাবে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ১১৮ দশমিক ৬ কোটি টকা ধাৰ্য্য কৰা হৈছে।

০০০০০০০

অসমীয়া সমাজ সংস্কৃতিৰ অন্যতম বৰভেটি গঢ়োতা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অন্যতম প্ৰিয় শিষ্য, নামঘোষা, ভক্তিৰত্নাৱলী, ভালেসংখ্যক বৰগীত আদিৰে অসমীয়া সংস্কৃতিক চহকী কৰা মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ আজি ৪৩০ সংখ্যক তিৰোভাৱ তিথি। এই উদ্দেশ্যে ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহ পুৱাৰে পৰা হৰিনামৰ ধ্বনিৰে মুখৰ হৈ পৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৰুজনাৰ তিথি উপলক্ষে জনসাধাৰণক শুভেচ্ছা জনাইছে। মহাপুৰুষ জনাৰ তিৰোভাৱ তিথি উপলক্ষে উজনি মাজুলীৰ শ্ৰী শ্ৰী টকৌবাৰী সত্ৰ আৰু শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰত গুৰুজনাৰ তিৰোভাৱ তিথিৰ বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হৈছে।

শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰই মহাপুৰুষ জনাৰ তিথি **গুৰুকীৰ্ত্তন** হিচাপে চাৰিদিনীয়াকৈ পালন কৰিছে। প্ৰথম দিনা চাউল ভোজনী, দ্বিতীয় দিনা থাপনি, আজি তৃতীয় দিনা মূল কীৰ্ত্তন আৰু কাইলৈ শেষৰ দিনা ভাঙনী অনুষ্ঠিত হ'ব।

নগাঁও জিলাৰ শ্ৰীশ্ৰী বটদ্ৰৱা থানত আজি গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। এই উপলক্ষে পুৱাৰ পৰাই নাম প্ৰসঙ্গ আৰু বিভিন্ন কাৰ্য্যসূচী অনুষ্ঠিত হৈছে।

ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলত বিশেষকৈ নামৰূপ, নাহৰকটীয়া, দুলীয়াজান, টেঙাখাট, চাবুৱা, লাহোৱাল, মৰান, বৰবৰুৱা আদিকে ধৰি সকলো অঞ্চলতে আজি পুৱাৰে পৰা নাম কীৰ্ত্তন, শাস্ত্ৰ পাঠ, গায়ন-বায়নৰ জৰিয়তে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে।

বৰপেটা সত্ৰতো আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৪৩০ সংখ্যক তিথি মহোৎসৱ আয়োজন কৰা হৈছে।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। এই উপলক্ষে জিলাখনৰ বগুৱানৰ শ্ৰীশ্ৰী কেওলীয়া হাটী সত্ৰ আৰু গোৱালপাৰা চহৰৰ শ্ৰী শ্ৰী শ্যাম ৰায় সত্ৰত পুৱাৰে পৰা নাম প্ৰসঙ্গৰ লগতে আন আন কাৰ্য্যসূচী ৰূপায়ন কৰা হৈছে। একেদৰে জিলাখনৰ বিভিন্ন সত্ৰ আৰু নামঘৰ সমূহত গুৰুজনাৰ তিৰোভাৱ তিথি আয়োজন কৰা হৈছে।

কোচবিহাৰৰ মধুপুৰ সত্ৰত আজি দিনজোৰা কাৰ্যসূচীৰে শ্ৰী শ্ৰী মাধৱ দেৱৰ তিৰোভাৱ তিথি অনুষ্ঠিত হৈছে। অসম সত্ৰ মহাসভা উত্তৰ পশ্চিম মণ্ডলৰ সাংস্কৃতিক সম্পাদক যুগান্ত বায়নে জনোৱা অনুসৰি আজি পুৱা গুৰু ভটিমা, প্ৰসংগ, ভাগৱত পাঠ আদিৰে সত্ৰৰ চৌহদ মুখৰ হৈ পৰিছে।

০০০০০০

যোৰহাট জিলাৰ ৩৮ নম্বৰ বালিগাঁও পঞ্চায়তৰ অন্তৰ্গত ঔৱান বৰালিত টিয়কৰ বিধায়ক বিকাশ শইকীয়াই আজি এটা অংগনবাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। অঞ্চলটোৰ শিশুৰ শিক্ষা আৰু বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰটোৱে বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত গাঁও পঞ্চায়তৰ প্ৰতিনিধিসকল, বিজেপি, অগপ মিত্ৰজোঁটৰ দলীয় সদস্য আৰু স্থানীয় লোকসকল উপস্থিত থাকে।

০০০০০০

চতুৰ্দশ নাগালেণ্ড বিধানসভাৰ নৱম অধিৱেশন আজিৰে পৰা অনুষ্ঠিত হৈছে। এই অধিৱেশনত ফ্ৰণ্টিয়াৰ নাগালেণ্ড টেৰিটৰিয়েল অথৰিটি বিধেয়ক ২০২৬ৰ লগতে কেইবাখনো চৰকাৰী বিধেয়ক আৰু বিদেশী অৱদান (নিয়ন্ত্ৰণ) আইন সম্পৰ্কীয় আলোচনাৰ লগতে বিধানসভাৰ বিস্তৃত কাৰ্যসূচী অনুষ্ঠিত হ'ব।

অধিৱেশনৰ আজি প্ৰথম দিনা অধ্যক্ষ চাৰিংগাইন লংকুমাৰে বিধানসভাৰ প্ৰাক্তন সদস্য জি কুঘাবীৰৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছতে প্ৰশ্ন ঘণ্টা অনুষ্ঠিত হ'ব।

নাগালেণ্ড বিধানসভা সচিবালয়ৰ সচিবে নাগালেণ্ড টাউন এণ্ড কান্ট্ৰি প্লেনিং (পঞ্চম সংশোধনী) বিধেয়ক ২০২৫, নাগালেণ্ড শ্বপছ এণ্ড এষ্টাব্লিছমেণ্ট (প্ৰথম সংশোধনী) বিধেয়ক ২০২৫ আদিকে ধৰি কেইবাখনো বিধেয়কৰ সন্মতিৰ প্ৰতিবেদন উত্থাপন কৰিব। সদনে বাৰ্ষিক প্ৰশাসনিক প্ৰতিবেদনৰ উপৰি ২০২১-২২ আৰু ২০২২-২৩ বৰ্ষৰ বিভিন্ন বিধানসভা সমিতিৰ প্ৰতিবেদন, নিয়ন্ত্ৰণ আৰু মহা নিৰীক্ষক প্ৰতিবেদন গ্ৰহণ কৰিব।

০০০০০০

**সমাপ্ত**